নিয়মীয়া বার্তা শনিবাৰ, ৫ এপ্ৰিল ২০২৫

# দিছপুৰ কলেজত প্ৰাক্তন ছাত্ৰ সন্মিলন

মহানগৰ বাৰ্তা, ৪ এপ্ৰিল ঃ অসম শাখাৰ নেহু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগত আৰু দিছপুৰ মহাবিদ্যালয়ৰ সহযোগত দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন অনুষ্ঠিত হয়। দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত এই সন্মিলন নেহুৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক আৰ জৰ্জ মাইকেলৰ নামত উছৰ্গা কৰা হয়। ড° ঋষি দাসে সভাপতিত্ব কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনত দিছপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য জি ডি শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশিষ্ট পৰিৱেশবিদ পৰিমল ভট্টাচাৰ্যই বন্যপ্ৰাণী আৰু প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত নতুন পদ্ধতি শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। সভাত ড° জে বি আলফ্ৰেড, পি কে প্ৰভাকৰণেও বক্তৃতা প্ৰদান কৰে। সভাত ড° ৰবিন্দৰ কৌৰ বালিৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়।